**বিক্ৰম শিতল আৰু অন্য**

**বনাম**

**মধ্য প্ৰদেশ ৰাজ্যিক পথ পৰিবহন নিগম আৰু অন্যান্য**

**১১ ডিচেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. টি. নানাৱতী]**

*যান-বাহন আইন, ১৯৩৯ : ধাৰা ৬৮ডি(৩)।*

*অধিসূচিত পথ – ধাৰা ৬৮ডি(৩)-ৰ অধীনত অনুমোদিত পথ প্ৰকাশ কৰা – পৰৱৰ্তী সময়ত “স্ব-নিয়োজন আঁচনি”-ৰ প্ৰণয়ন – এই আঁচনিৰ অধীনত নিবনুৱা স্নাতকসকলক অধিসূচিত পথত নিয়ম আৰু চৰ্তাৱলী সাপেক্ষে ষ্টেজ কেৰেইজ (জন পৰিবহন বাহন) চলোৱাৰ অনুমতি প্ৰদান কৰা হৈছিল – আবেদনকাৰীৰ অনুজ্ঞা-পত্ৰ বাতিল কৰা হৈছিল যিহেতু তেওঁ নিয়ম আৰু চৰ্তাৱলীৰ পালন কৰা নাছিল – লেখ আবেদন – উচ্চ ন্যায়ালয়ৰ দ্বাৰা বাতিলকৰণ – আবেদন – ৰায় দিয়া হল যে এক অধিসূচিত ফ্ৰ’জেন (অ-হস্তান্তৰযোগ্য) পথত কোনো ব্যক্তিগত চালকৰ ষ্টেজ কেৰেইজ (জন পৰিবহন বাহন) চলোৱাৰ অধিকাৰ নাই – এই ক্ষেত্ৰত ৰাজ্যিক পথ পৰিবহন নিগমে অনুজ্ঞা-পত্ৰ প্ৰাপ্ত কৰিছিল – গতিকে, অধিসূচিত আঁচনিৰ অধীনত ইয়াৰ বাহিৰে অন্য কোনেও অধিসূচিত পথত আঁচনি অনুসৰি একচেটীয়াকৈ ষ্টেজ কেৰেইজ*

*(জন পৰিবহন বাহন) চলাব নোৱাৰে – উচ্চ ন্যায়ালয়ৰ দ্বাৰা লেখ আবেদন বাতিলকৰণ কোনো আইনী ভুলৰ বাবে উলংঘন কৰা হোৱা নাছিল।*

*ব্রিজ মোহন পৰিহৰ ইত্যাদি* **বনাম** *মধ্য প্রদেশ ৰাজ্যিক পথ পৰিবহন নিগম আৰু অন্যান্য ইত্যাদি* **[১৯৮৭] ১ এচ.চি.চি. ১৩-ৰ প্ৰসংগ উত্থাপন কৰা হৈছে।**

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ :১৯৮৬-ৰ দেৱানী আবেদন সংখ্যা ৮১১।

১৯৮৫-ৰ বিবিধ আবেদন সংখ্যা ৫৭২-ত মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ৰ ১৩.১.৮৬ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীসকলৰ হৈ এম. এন. কৃষ্ণমণি আৰু প্ৰবীৰ চৌধাৰী।

উত্তৰদাতাসকলৰ হৈ ৰাজিন্দৰ নাৰাইন এণ্ড কো. (এন.পি.)।

আদালতৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল :

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন ১৯৮৫-ৰ বিবিধ আবেদন সংখ্যা ৫৭২-ত মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ৰ ১৩ জানুৱাৰী, ১৯৮৬ তাৰিখে প্ৰদান কৰা ৰায়দানৰ পৰা উদ্ভৱ হৈছে।

স্বীকাৰ্য স্থিতি এই যে প্ৰশ্নৰ আৱৰ্তত থকা গোৱালিয়ৰৰ পৰা ইন্দোৰলৈ যোৱা পথটো যান বাহন আইন (চমুকৈ “১৯৩৯-ৰ চতুৰ্থ আইন”)-ৰ চতুৰ্থ-এ. অধ্যায়ৰ অধীনত অধিসূচিত কৰা হৈছিল, যিখন যান বাহন আইন, ১৯৮৮-ৰ দ্বাৰা বাতিল আৰু পুনৰ প্ৰণয়ন কৰা হৈছিল। ধাৰা ৬৮ডি(৩)-ৰ অধীনত অনুমোদিত পথ প্ৰকাশ কৰাৰ পাছত এখন আঁচনি প্ৰণয়ন কৰা হৈছিল যাৰ অধীনত নিবনুৱা স্নাতকসকলক “স্ব-নিয়োজন আঁচনি”-ৰ অধীনত অধিসূচিত পথত কিছুমান নিৰ্দিষ্ট নিয়ম আৰু

চৰ্তাৱলী সাপেক্ষে *ষ্টেজ কেৰেইজ* (জন পৰিবহন বাহন) চলোৱাৰ অনুমতি প্ৰদান কৰা হৈছিল। এয়া দেখা গৈছিল যে আবেদকাৰীসকলে উক্ত নিয়ম আৰু চৰ্তাৱলীসমূহ পালন কৰা নাছিল যাৰ ফলত কৰ্তৃপক্ষৰ দ্বাৰা তেওঁলোকৰ অনুজ্ঞা-পত্ৰসমূহ বাতিল কৰা হৈছিল। আবেদনকাৰীসকলে প্ৰশ্নৰ আৱৰ্তত থকা কাৰ্য সম্বন্ধে এখন লেখ আবেদন দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ে উক্ত লেখ আবেদন বাতিল কৰিছিল। সেয়ে বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন দাখিল কৰা হৈছে।

এই বিতৰ্কটো এতিয়া আৰু সিদ্ধান্ত গ্ৰহণ নকৰা অৱস্থাত নাই। এয়া এক নিৰ্ধাৰিত আইনী স্থিতি যে এবাৰ আইনখনৰ ধাৰা ৬৮-ডি-ৰ উপ-ধাৰা-৩-ৰ অধীনত ৰাজপত্ৰত সূচনা প্ৰকাশ হ'লে সকলো পূৰ্বৱৰ্তী চালকে বিধি হিচাপে মান্য আঁচনিখনত উল্লেখ থকা নিয়ম আৰু চৰ্তাৱলী পালন কৰি কাৰ্যনিৰ্বাহ কৰাৰ বাহিৰে *ফ্ৰ'জেন* (অ-হস্তান্তৰযোগ্য) পথসমূহত কাৰ্যনিৰ্বাহ কৰা বন্ধ কৰিব লাগিব। যদি ৰাজ্যিক পথ পৰিবহন নিগমে অনুজ্ঞা-পত্ৰ প্ৰাপ্ত কৰিবলৈ অসমৰ্থ হয়, তেন্তে এচ.আৰ.টি.চি.-এ নিয়মীয়া অনুজ্ঞা-পত্ৰ প্ৰাপ্ত নকৰালৈকে এচ.টি.এ./আৰ.টি.এ.-ক অস্থায়ী অনুজ্ঞা-পত্ৰ প্ৰদান কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। এই ক্ষেত্ৰত স্বীকাৰ কৰা অনুসৰি ৰাজ্যিক পথ পৰিবহন নিগমে অনুজ্ঞা-পত্ৰ প্ৰাপ্ত কৰিছিল আৰু সেইবাবে সূচিত আঁচনিখনৰ অধীনত ৰাজ্যিক পথ পৰিবহন নিগমৰ বাহিৰে অন্য কোনেও আঁচনিখনৰ চৰ্তাৱলী সাপেক্ষে অধিসূচিত পথসমূহত *ষ্টেজ কেৰেইজ* ( জন পৰিবহন বাহন ) চলাব নোৱাৰিব। সেয়েহে, স্ব-নিয়োজন আঁচনিখন নিশ্চিতভাৱে অবৈধ। এই আদালতে *ব্ৰিজ মোহন পৰিহৰ ইত্যাদি* বনাম *মধ্য প্ৰদেশ ৰাজ্যিক পথ পৰিবহন নিগম আৰু অন্যান্য ইত্যাদি* [১৯৮৭] ১ এচ.চি.চি. ১৩ গোচৰটোৰ প্ৰসংগত বিষয়টোৰ এই দিশটো বিবেচনা কৰিছিল আৰু ৰায়দানৰ দফা নং ৩-ত এই মত প্ৰদান কৰা হৈছিল যে আইনখৰ চতুৰ্থ-এ অধ্যায়ৰ

অধীনত নিগমে অনুজ্ঞা-পত্র প্ৰাপ্ত কৰা আৰু নিজৰ মনোনীত ব্যক্তি হিচাপে এজন ব্যক্তিগত চালকক তেওঁৰ নিজৰ বাহনখন *ষ্টেজ কেৰেইজ* (জন পৰিবহন বাহন) হিচাপে অধিসূচিত পথসমূহত চলোৱাৰ অনুমতি আইন অনুসৰি প্ৰদান কৰিব নোৱাৰে। মনোনয়ন মাচুল বা উৎপাদন শুল্ক বা তত্ত্বাৱধায়ন মাচুল হিচাপে কোনো ধন সংগ্ৰহ কৰিবলৈ ইয়াক অনুমতি প্ৰদান কৰিব নোৱাৰি। গতিকে, এয়া দেখা যায় যে অধিসূচিত পথসমূহত *ষ্টেজ কেৰেইজ* (জন পৰিবহন বাহন) চলাবলৈ কোনো ব্যক্তিগত চালকৰ অধিকাৰ নাই। সেই অনুসৰি আমি ৰায় দিছো যে উচ্চ ন্যায়ালয়ৰ দ্বাৰা আবেদনকাৰীৰ লেখ আবেদনৰ বাতিলকৰণ কোনো হস্তক্ষেপকাৰী আইনী ভুলৰ দ্বাৰা উলংঘন কৰা হোৱা নাই।

সেই অনুসৰি এই আবেদন খাৰিজ কৰা হৈছে। ব্যয় অবিহনে।

আবেদন খাৰিজ কৰা হৈছে।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the

English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)